**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
**Date :** 11-04-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল পৰ্বৰ আজি অন্তিম দিন।

২। আজি পুৱা চাৰে ১০ বজাত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল।

৩। গুৱাহাটীৰ আগিয়াঠুৰীৰ পৰা তেজপুৰৰ ডেকাৰগাঁৱলৈ নতুন ৰে'ললাইন প্ৰকল্পৰ চূড়ান্ত স্থান জৰীপত কেন্দ্ৰীয় ৰে'ল মন্ত্ৰালয়ৰ অনুমোদন।

৪। স্বনিৰ্ভৰ শিপিনী আঁচনিৰ অধীনত ১০ লাখ গামোচা ক্ৰয়েৰে বস্ত্ৰতাঁত শিল্পক উদ্‌গনি।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে ডেলহি কেপিটেলছৰ ৬ উইকেটত জয়লাভ।

০০০০০০

ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল পৰ্বৰ আজি সামৰণি পৰিব। জিলা প্ৰশাসনসমূহে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন আৰু নিৰ্বাচন আয়োগে প্ৰস্তুতি অব্যাহত ৰখাৰ লগতে বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা বৃদ্ধি পোৱা দেখিবলৈ পোৱা গৈছে।

অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিয়ে দ্বিতীয়খন প্ৰাৰ্থী তালিকা ইতিমধ্যে প্ৰকাশ কৰিছে। বিজেপিয়ে অগপ, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি আৰু গণ শক্তিৰে মিত্ৰজোঁট গঠন কৰি আসন্ন পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মিত্ৰজোঁটৰ অগপই নিজৰ প্ৰতীক চিহ্নৰে নিৰ্বাচন খেলিব যদিও ৰাভা হাচং যৌথ মঞ্চ আৰু গণশক্তিয়ে বিজেপিৰ প্ৰতীক চিহ্নৰে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। এই নিৰ্বাচনত ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত ৩২৩ খন আসনত বিজেপি মিত্ৰজোঁটে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰে ৭৪ খন আসন মিত্ৰদল অগপক প্ৰদান কৰা হৈছে। ১৭২ খন আসনত মিত্ৰজোঁটৰ মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিজেপি মিত্ৰজোঁটৰ হৈ ২৭ খন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ লগতে ৰাজ্যিক সভাপতি দিলীপ শইকীয়াইও অৰ্ধ শতাধিক প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব বুলি দলটোৱে জানিবলৈ দিছে। ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা –

-বাইট-

পঞ্চায়ত নিৰ্বাচনৰ কাৰণে ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে এতিয়ালৈকে প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিব পৰা নাই। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ আগত গুৰুত্বপূৰ্ণ নিৰ্বাচনী কুচকাৱাজ হিচাপে পৰিগণিত হোৱা পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি কংগ্ৰেছ আৰু ৰাজ্যৰ অন্যান্য বিৰোধী দলসমূহ একত্ৰিত হ'ব বুলি আশা কৰা হৈছিল যদিও এতিয়ালৈকে তেনেধৰণৰ কোনো বুজাবুজি পৰিলক্ষিত হোৱা নাই। অৱশ্যে শিৱসাগৰ জিলাত পঞ্চায়ত নিৰ্বাচনক লৈ বিজেপি মিত্ৰজোঁটৰ লগতে কংগ্ৰেছ আৰু ৰাইজৰ দলৰো তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বিগত লোকসভা নিৰ্বাচনত শিৱসাগৰ জিলাৰ তিনিটা বিধানসভা সমষ্টিত উন্নত ফলাফল প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হোৱা কংগ্ৰেছ দলে পঞ্চায়ত নিৰ্বাচনত এই ফলাফলৰ ধাৰা অব্যাহত ৰাখিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে। প্ৰাৰ্থীৰ তালিকা চূড়ান্ত হোৱা নাই যদিও জিলাখনত জিলা পৰিষদৰ ১২ খন আসনত কংগ্ৰেছ সমৰ্থিত ১২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি জানিবলৈ পোৱা গৈছে। শাসকীয় দল বিজেপিয়েও সাংগঠনিক ভেটি শক্তিশালী কৰি পঞ্চায়ত নিৰ্বাচনত ভাল ফলাফল প্ৰদৰ্শন কৰিবলৈ প্ৰচেষ্টা চলাইছে। ৰাইজৰ দল, অসম জাতীয় পৰিষদ, চি পি আই, গণশক্তি ইত্যাদি দলসমূহেও সমৰ্থিত প্ৰাৰ্থী পঞ্চায়ত নিৰ্বাচনত প্ৰক্ষেপ কৰিছে।

নগাঁও জিলাত ২৭ খন জিলা পৰিষদৰ আসনৰ ১৯ খনত বিজেপিয়ে প্ৰাৰ্থিত্ব দিছে। মিত্ৰদল অগপই ৮ খন আসনত প্ৰাৰ্থিত্ব ঘোষণা কৰিছে। গণ শক্তিয়ে জোনাইৰ ৪ খন, মাজুলী আৰু ঢকুৱাখনাত এখনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে

ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিয়ে গোৱালপাৰা আৰু দক্ষিণ শালমাৰাত প্ৰতিদ্বন্দ্বিতা কৰিব। ধেমাজি জিলাত নিৰ্বাচনী কুচকাৱাজৰ কিয়দংশ লৈ এয়া আমাৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মা –

– বাইট –

মৰিগাঁও জিলাত দ্বিতীয় পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে কালি জাগীৰোড সমষ্টিৰ ২৮টা আঞ্চলিক পঞ্চায়ত আৰু ৪টা জিলা পৰিষদৰ বাবে প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। মন্ত্ৰী পীযুষ হাজৰিকাৰ উপস্থিতিত সমদল উলিয়াই প্ৰাৰ্থীসকলে জাগীৰোড সমজিলাৰ কাৰ্যালয় আৰু মায়ং খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত তেওঁলোকৰ মনোনয়ন পত্ৰ দাখিল কৰে।

মানকাচৰ আৰু জৰুৱা বিৰচিং সমষ্টিৰ ৭২টা আঞ্চলিক পঞ্চায়ত আৰু ৮ খন জিলা পৰিষদৰ বাবে বিজেপি আৰু অগপৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

০০০০০০

অসম ৰাজ্যিক শিক্ষা পৰিষদৰ অধীনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি পুৱা চাৰে ১০ বজাত ঘোষণা কৰা হ'ব। পৰিষদে এখন অধিসূচাযোগে এই কথা প্ৰকাশ কৰিছে। শিক্ষাৰ্থীসকলে sebaonline.org, results.shiksha, assam.shiksha, indiaresults.com, jagranjosh.com, schools9.com, indianexpress.com, assamresult.in সহ ১৪টা ৱেবছাইট আৰু মোবাইল এপ ASSEB Results ৰ জৰিয়তে ফলাফল চাব পাৰিব। শিক্ষাৰ্থীসকলে পৰীক্ষাৰ ৰোল আৰু নম্বৰ দাখিল কৰি মাৰ্কশ্বিটো ডাউনলোড কৰিব পাৰিব। উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ মাৰ্কশ্বিটৰ হাৰ্ড কপি তথা প্ৰমাণ পত্ৰ প্ৰদানৰ দিন পৰৱৰ্ত্তী সময়ত ঘোষণা কৰা হ'ব।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সমাজ আৰু দেশৰ হিতৰ বাবে মেধা শক্তিৰ প্ৰয়োগ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনাইছে। যোৰহাটৰ ৰৈয়াত অনুষ্ঠিত অসম মহিলা বিশ্ববিদ্যালয়ৰ চৌহদত অনুষ্ঠিত চতুৰ্থ সমাৱৰ্তনত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে এইদৰে আহ্বান জনায়। ৰাজ্যপাল আচাৰ্যই প্ৰাচীন ভাৰতৰ গাৰ্গী, লোপামুদ্ৰাৰ পৰা আৰম্ভ কৰি ৰাণী লক্ষ্মীবাঈ, সাৱিত্ৰী বাঈ ফুলে পৰ্যন্ত বিভিন্ন ক্ষেত্ৰৰ বিদুষী মহিলাৰ উদাহৰণ দি কয় যে বৰ্তমান সময়ত মহিলাসকলে কৃত্ৰিম বুদ্ধিমত্তা, ডাটা বিজ্ঞান, সেউজ প্ৰযুক্তি আদি দিশো আয়ত্ত কৰি নিজকে সফল কৰি তুলিছে। সৰ্বভাৰতীয় উচ্চ শিক্ষা সমীক্ষাৰ তথ্য অনুসৰি বৰ্তমান উচ্চশিক্ষিত মহিলাই ৫৫ শতাংশতকৈ অধিক স্থান অধিকাৰ কৰিছে আৰু গৱেষক ছাত্ৰীৰ সংখ্যাই অভিলেখ স্পৰ্শ কৰিছে বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে ডিগ্ৰীক প্ৰমাণ পত্ৰ হিচাপে গ্ৰহণ নকৰি সমাজ সেৱাৰ আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। সমাৱৰ্তন সমাৰোহত ৩৩৩ গৰাকী ছাত্ৰীক ডিগ্ৰীৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত উদ্যোগী মহিলা অনিতা চেতিয়াক ডি লিট প্ৰদান কৰা হয়।

০০০০০০

গুৱাহাটীৰ আগিয়াঠুৰীৰ পৰা তেজপুৰৰ ডেকাৰগাঁৱলৈ ১৫৫ কিলোমিটাৰ আৰু তেজপুৰৰ পৰা তেজপুৰ-শিলঘাট সংযোগী ২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন ৰেললাইন প্ৰকল্পৰ চূড়ান্ত স্থান জৰীপত ৰে'ল মন্ত্ৰালয়ে অনুনোদন জনাইছে। বিগত চাৰিটা বৰ্ষত  অসমৰ ১৯টা জৰীপত অনুমোদন জনোৱা হৈছে। ইয়াৰে ভিতৰত ৯টা নতুন ৰেলপথ আৰু পাঁচটা দ্বৈত ৰেলপথলৈ উন্নীতকৰণৰ প্ৰকল্প আছে। ৰাজ্যত বৰ্তমান ৰূপায়িত হৈ থকা প্ৰকল্পসমূহৰ ভিতৰত মুৰ্কংচেলেক-পাছিঘাট সংযোগী ২৬ দশমিক ১-৫ কিলোমিটাৰ, তেতেলীয়া-বৰ্ণিহাট সংযোগী ২১ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন ৰেলপথ প্ৰকল্প আৰু বঙাইগাঁও-গোৱালপাৰা-কামাখ্যাৰ মাজৰ ৰেলপথচোৱা দ্বৈত পথলৈ উন্নীতকৰণ প্ৰকল্প অন্যতম। উল্লেখযোগ্য যে ২০২৫-২৬ বিত্তীয় বাজেটত অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন আন্তঃগাঁথনি প্ৰকল্প আৰু কাম-কাজৰ বাবে ১০ হাজাৰ ৪৪০ কোটি টকা আবণ্টন দিয়া হৈছে।

০০০০০০

বৰদৈচিলাৰ আগমনৰ লগে লগে গছ-বিৰিখে কুঁহিপাত সলাই, কুলি-কেতেকীয়ে গীত জুৰি বসন্তৰ আগজাননী দিয়াত অসমবাসী হেঁপাহৰ ৰঙালী বিহু পালনৰ বাবে সাজু হৈছে। ঢোলৰ গুমগুমনি, পেঁপাৰ টিহিটি টিহিটি মাত আৰু নাচনীৰ নাচোনৰ চেৰত বিহুলৈ দুদিন থাকোতে ৰাজ্যত ইতিমধ্যে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। অসমীয়াই বছৰি হেঁপাহৰ এই বাপতি সাহোন উৎসৱটি পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰি আহিছে। এইবাৰো চৌদিশে পঞ্চায়ত নিৰ্বাচনৰ ব্যস্ততাৰ মাজতো

অসমবাসীৰ বিহুৰ উৎসাহ অটুট আছে। গুৱাহাটী মহানগৰীত বিহুৰ প্ৰস্তুতি অব্যাহত থকাৰ লগতে অসমীয়া নৱবৰ্ষৰ বাবে নতুন সাজ-পাৰ ক্ৰয় কৰি আপোনজনক উপহাৰ দিয়াৰ বাবে জনসাধাৰণে বজাৰসমূহত ভিৰ কৰা পৰিলক্ষিত হৈছে। ইপিনে, ভৌগালিক সূচাংক লাভ কৰা গামোচাৰ চাহিদা বৃদ্ধি হোৱাৰ বিপৰীতে প্ৰশাসনে বহিঃৰাজ্যত প্ৰস্তুত কৰা যন্ত্ৰচালিত শালত প্ৰস্তুত কৰা গামোচাৰ আমদানি ৰোধ কৰাৰ ব্যৱস্থা কৰিছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই স্বনিৰ্ভৰ শিপিনী আঁচনিৰ অধীনত ১০ লাখ গামোচা ক্ৰয় কৰি ৰাজ্য তথা ৰাজ্যৰ বাহিৰৰ প্ৰায় ১০ লাখ লোকলৈ আগবঢ়াইছে। এই পদক্ষেপে শিপিনীসকলক উচিত মূল্য লাভৰ জৰিয়তে হস্তশিল্প যাত্ৰাক আগুৱাই নিয়াত উৎসাহিত কৰিব বুলি মুখ্যমন্ত্ৰী ডং শৰ্মাই অৱগত কৰিছে।

আনহাতে, গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। চৰাইদেউ জিলাত বিহুৰ প্ৰস্তুতি সম্পৰ্কত এয়া আমাৰ চৰাইদেউৰ সংবাদদাতা নবুল কোঁৱৰ –

-বাইট- নবুল

ইপিনে, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত আৰু জিলা প্ৰশাসনসমূহৰ সহযোগত ৰাজ্যৰ বিভিন্ন ঠাইত অসমী ব'হাগী মেলা-২০২৫ অনুষ্ঠিত হৈছে। গুৱাহাটী মহানগৰীৰ হেঙেৰাবাৰীস্থিত অমৃত উদ্যানত ৪ দিনীয়া কাৰ্যসূচীৰে অসমী ব'হাগী মেলাৰ আয়োজন কৰা হৈছে।

000000

ডেলহি কেপিটেলছে যোৱানিশা বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে। ডেলহি কেপিটেলছে ১৬৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু ৫টা বলত ৪টা উইকেট হেৰুৱাই ১৬৯ ৰান কৰে। ডেলহিৰ হৈ কে. এল. ৰাহুলে ৫৩টা বলত ৯৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ হৈ ভূৱনেশ্বৰ কুমাৰে দুটা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে, বাংগালুৰু দলটোৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৬৩ ৰান কৰে। বাংগালুৰুৰ হৈ ফিল ছল্ট আৰু টীম ডেভিডে ৩৭ ৰানকৈ বৰঙণি আগবঢ়ায়। ডেলহিৰ হৈ ৱিপৰাজ নিগম আৰু কুলদ্বীপ যাদৱে দুটাকৈ উইকেট দখল কৰে। কে. এল. ৰাহুলক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰে।

প্ৰতিযোগিতাত আজি চেন্নাইৰ এম. এ. চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ইপিনে, চেন্নাই ছুপাৰ কিংছে অধিনায়ক মহেন্দ্ৰ সিং ধোনীয়ে আই. পি. এলৰ এইবাৰৰ সংস্কৰণৰ বাকী খেল কেইখনত পূৰ্ণকালীন অধিনায়ক ৰুতুৰাজ গায়কোৱাডৰ স্থান ল'ব বুলি ঘোষণা কৰিছে। গায়কোৱাডক কিলাকুটিৰ আঘাতৰ বাবে বাকী কেইখন খেলৰ পৰা বাদ দিয়া হৈছে।

0000000

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত আসন্ন পঞ্চায়ত নিৰ্বাচন, ৰাজ্যজুৰি বৰদৈচিলাৰ তাণ্ডৱ, ভাষা বিজ্ঞানী ড০ নগেন ঠাকুৰৰ দেহাৱসানৰ বাতৰিয়ে স্থান লাভ কৰা পৰিলক্ষিত হৈছে।

দৈনিক অসম কাকতে ব'হাগ বিহুলৈ মাজত দুদিন বাকী থকা অৱস্থাত কাপোৰৰ বিক্ৰী ৫০ শতাংশ হ্ৰাস পোৱাৰ বাতৰিক পদূলিত ব'হাগ - বিহুৰ বজাৰ সেমেকা শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে ভাষা বিজ্ঞানী ড০ নগেন ঠাকুৰৰ মৃত্যুৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

মন্ত্ৰী অশোক সিংহালে পত্নীৰ নামত মহিলা সমিতিৰ মাটি দখলৰ অভিযানত নামি পৰা বুলি উত্থাপিত অভিযোগৰ বাতৰিক আমাৰ অসম কাকতে মহিলা সমিতিৰ মাটি দখলৰ চেষ্টা মন্ত্ৰীপত্নীৰ - ঢেকিয়াজুলি উত্তাল শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক জনমভূমি কাকতে ৰাজ্য চৰকাৰে শিক্ষা সেঁতু এপত উপস্থিতি নিদিয়াৰ পৰিণতি স্বৰূপে দৰমহা কৰ্তনৰ দৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে কংগ্ৰেছৰ বিৰুদ্ধে উত্থাপিত ধনৰ বিনিময়ত পঞ্চায়ত নিৰ্বাচনত টিকট প্ৰদানৰ অভিযোগ, জিলাই জিলাই কংগ্ৰেছী ক্ষোভ - মাৰপিট শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক অসমীয়া খবৰ কাকতেও প্ৰথম

পৃষ্ঠাত স্থান দিছে। ভাৰত এছিয়াৰ পৰা অষ্ট্ৰেলিয়ালৈ শ্বেয়াৰ বজাৰত ঘটা বৃহৎ পতন আৰু আৰ্থিক মন্দাৱস্থা আসন্ন হৈ উঠাত মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে চীনক বাদ দি আন দেশসমূহৰ ওপৰত আৰোপ কৰা প্ৰতিশুল্ক ৯০ দিনলৈ স্থগিত ৰখাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে শ্বেয়াৰ বজাৰৰ বৃহৎ পতন - আৰ্থিক মহামন্দাৰ আশংকাই টিঙৰ পৰা নমালে ট্ৰাম্পক শিৰোনামেৰে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে আমেৰিকা ৰাষ্ট্ৰপতিয়ে চীনৰ বাহিৰে বাকী দেশৰ বিৰুদ্ধে আৰোপ কৰা প্ৰতিশুল্ক ব্যৱস্থা ৯০ দিনৰ বাবে স্থগিত ৰখাৰ কথা ঘোষণা কৰাৰ পাছত বিশ্বৰ বিভিন্ন দেশৰ শ্বেয়াৰ বজাৰ উৰ্ধগামী হোৱাৰ বাতৰিক মাৰ্কেট ছ'ৰ আফটাৰ ইউ এছ প'জেছ্ মষ্ট অব টেৰিফ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দ্য ছেণ্টিনেল কাকতে ৰাজ্য চৰকাৰে সহজিলা আয়ুক্তসকলক দণ্ডাধীশ ক্ষমতা প্ৰদান কৰা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দ্য টাইমছ্ অব ইণ্ডিয়া কাকতে ২০০৮ চনৰ ২৬ নৱেম্বৰৰ মুম্বাইৰ সন্ত্ৰাসবাদী আক্ৰমণৰ মূল ষড়যন্ত্ৰকাৰী তহববুৰ ৰাণাক প্ৰত্যৰ্পনৰ পাছত এন আই এই গ্ৰেপ্তাৰ কৰা বাতৰিৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এতিয়া আহক বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ  হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**